পাঠ: ২

# মানৱ বন্ধনা - চন্দ্ৰকুমাৰ আগৰৱালা

---

## মুঠ মূল্যাংক :- ১০

১/ অতি চমুৰ প্ৰশ্নৰ উত্তৰ:

(ক) 'বিশ্ব হৰণ' কবিতাটোক কি কবিতা বুলিব পাৰি ?

উত্তৰঃ বিশ্ব হৰণ' কবিতাটোক 'ৰোমান্টিক কবিতা' বুলিব পাৰি ।

(খ) 'প্ৰতিমাৰ খনিকৰ' কোন?

উত্তৰঃ 'প্ৰতিমাৰ খনিকৰ' হ'ল- চন্দ্ৰকুমাৰ আগৰৱালা ।

(গ) ড° নিৰ্মলপ্ৰভা বৰদলৈৰ প্ৰথম কবিতা পুথি কি আছিল?

উত্তৰঃ ড° নিৰ্মলপ্ৰভা বৰদলৈৰ প্ৰথম কবিতা পুথি 'বন ফৰিঙৰ ৰং'।

(ঘ) মানুহেই পৰাৎপৰ বোলা কথাষাৰৰ অৰ্থ কি?

উত্তৰঃ মানুহেই পৰাৎপৰ বোলা কথাষাৰৰ অৰ্থ হ'ল- মানুহেই শ্ৰেষ্টতকৈও শ্ৰেষ্ট, পৰমসত্য ।

(ঙ) পাদ্য- অৰ্ঘ্য লৈ মানুহক পূজা কৰাৰ অৰ্থ কি?

উত্তৰঃ পাদ্য- অৰ্ঘ্য লৈ মানুহক পূজা কৰাৰ অৰ্থ হ'ল- দেৱতাৰ পূজাৰ সলনি মানৱ পূজাৰ আয়োজন কৰা ।

২/ 'মানৱ বন্ধনা' কবিতাটিৰ সাৰাংশ তোমাৰ নিজৰ কথাৰে লিখা ।

উত্তৰঃ কবি চন্দ্ৰকুমাৰ আগৰৱালাৰ 'মানৱ বন্ধনা' কবিতাটিত মানৱ ধৰ্মৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন হৈছে ।পৃথিৱীলৈ অনাদি কালৰ পৰা মানুহৰ অহা-যোৱা চলিছে । অন্তহীন মানৱ হোঁতেৰে প্লাবিত এই পৃথিৱীক সেয়েহে মৰ্ত্য অৰ্থাৎ মৃত্যুলোক বোলা উচিত নহয় । মানৱ জনম মানুহৰ বাবে কাম কৰি অতিবাহিত কৰিবলৈ কবিয়ে আহব্বান জনাইছে ।

কাৰণ মানুহক মৰম কৰিব জনিলেহে প্ৰকৃত ধৰ্ম আচৰণ কৰা হয় । এই পৃথিৱীত আমি লগ সংগ আদি বিভিন্ন ৰূপত মানুহকে পাওঁ । মানুহ শ্ৰেষ্টতকৈও শ্ৰেষ্ঠ, পৰম সত্য । সেই শ্ৰেষ্ঠ মানুহৰ বাসভূমি  পৃথিৱী স্বৰ্গতকৈও শ্ৰেষ্ঠ । মানুহেই দেৱতা ,মাসেই সেৱাৰ যোগ্য । মানুহতকৈ শ্ৰেষ্ঠ আন কোনো নাই । সেয়েহে কবিয়ে দেৱ পূজাৰ সলনি মানৱ পূজাৰ আয়োজন কৰি মানুহক মানৱ ধৰ্ম পালন কৰিবলৈ উপদেশ দিছে ।

৩/ অসমৰ প্ৰথমজন ৰোমান্টিক কবি চন্দ্ৰকুমাৰ আগৰৱালাৰ চমু পৰিচয় দিয়া ।

উত্তৰঃ চন্দ্ৰকুমাৰ আগৰৱালাদেৱ আছিল অসমৰ প্ৰথমগৰাকী ৰোমান্টিক কবি। 'বীণ ব'ৰাগী আছিল তেওঁৰ প্ৰথম ৰোমান্টিক কবিতাৰ পুথি। অসমীয়া সাহিত্যৰ জোনাকী যুগৰ ত্ৰিমূৰ্তিৰ অন্যতম এগৰাকী কবি আছিল। জোনাকী কাকতৰ প্ৰথমজন সম্পাদক। তেজপুৰৰ ব্ৰহ্মজনত কবিগৰাকীৰ জন্ম হয়। তেখেতৰ কবিতা পুথি দুখন 'প্ৰতিমা' আৰু 'বীণ- বৰাগী'। 'প্ৰতিমা' পুথিখন সন্দৰ্ভত সাহিত্যৰথি লক্ষ্মীনাথ বেজবৰুৱাই কৈছিল - "প্ৰতিমাখন সৰ, কিন্তু নিভাঁজ সোণৰ।" জোনাকী কাকতৰ জৰিয়তে ৰোমান্টিক সাহিত্য চৰ্চাক অসমীয়া সাহিত্যলৈ আদৰি অনা চন্দ্ৰকুমাৰ আগৰৱালাই 'জোনাকী', 'সাদিনীয়া অসমীয়া' আদি আলোচনী সম্পাদনা কৰিছিল।

৪/ 'মানৱ বন্দনা কবিতাটিৰ মূল বক্তব্য কি?

উত্তৰঃ 'মানৱ বন্দনা' কবিতাটিৰ মূল বক্তব্য হ'ল- মানৱতাবাদ। অপাৰ্থীৱ দেবতা বা স্বৰ্গৰ কল্পনা কৰি মানুহে পূজা-অৰ্চনা কৰে। কিন্তু সেই পূজা দেৱতাই গ্ৰহণ কৰে নে নকৰে সেইয়া কোনেও নাজানে। দেৱতা বা স্বৰ্গ কল্পনাৰেহে পোৱা যায় ,সেইবোৰৰ বাস্তৱ অস্তিস্ব শূণ্য। কিন্তু এই পৃথিৱী সত্য,শাশ্বত। এই বাস্তৱ পৃথিৱীত মানুহে লগ-সংগ ৰূপত সদায় আমাক আৱৰি ৰাখে। সেয়েহে দেৱতাৰ পূজাৰ মানুহ উপকৃত হয়।কবিয়ে সেয়েহে মানৱ পূজাৰ আয়োজন কৰিবলৈ আহ্বান জনাই মানৱতাবাদৰ যথাৰ্থ দাঙি ধৰিছে।

৫/ "এই যে পৃথিৱী স্বৰ্গতো অধিক
মানুহৰ নিজাপী ঘৰ।" - কথাষাৰ বুজাই লিখা।

উত্তৰঃ মানুহক লগ- সংগ আদি বিভিন্ন ৰূপত আমি সততে লগ পাওঁ। দেৱতা আমাৰ কল্পনাৰ সৃষ্টি, যাৰ বাস্তৱ অস্তিত্ব নাই। কিন্ত মানুহ বাস্তৱ আৰু পৰম সত্য। সেয়েহে মানুহ শ্ৰেষ্টতকৈও শ্ৰেষ্ঠ। সেই শ্ৰেষ্টতম মানুহৰ নিজা বাসভূমি এই প্ৰথিৱী। পৃথিৱী বাস্তৱ। কল্পনাৰ স্বৰ্গ আছেনে নাই কোনেও নাজানে। কিন্তু আমি বাস্তৱত লগ পোৱা মানুহৰ বাসভূমি এই বাস্তৱ পৃথিৱী স্বৰ্গতকৈও শ্ৰেষ্ট পৰম পুণ্যৰ স্থল।

৬/ প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা :

(ক) এই যে পৃথিৱী স্বৰ্গতো অধিক মানুহৰ নিজাপি ঘৰ।

উত্তৰঃ উক্ত কবিতাফাকি চন্দ্ৰকুমাৰ আগৰৱালাই লিখা 'মানৱ বন্ধনা' কবিতাটিৰ পৰা তুলি অনা হৈছে।
এই কবিতাটিৰ জৰিয়তে পৃথিৱীৰ মায়া-মোহত আচ্ছন্ন হৈ মানুহে পৃথিৱীক স্বৰ্গতকৈ অধিক সুখৰ বুলি ভাবে। কাৰণ, পৃথিৱীত মানুহেই মানুহৰ লগ, মানুহেই মানুহৰ সংগ।

(খ) মানৱী জনম দিয়া উটুৱাই
মানৱী কৰম সোঁতে,
মানুহৰ মৰম বুজিবা মানুহে
ধৰম যে মৰমতে।

উত্তৰঃ উক্ত কবিতাফাকি চন্দ্ৰকুমাৰ আগৰৱালাই ৰচনা কৰা 'নিয়ম' নামৰ কবিতাটিৰ পৰা তুলি অনা হৈছে।
মানুহৰ প্ৰতি মানুহৰ ধৰ্ম কি হোৱা উচিত তাকে ক'বলৈ কবিয়ে উক্ত প্ৰসংগ অৱতাৰণা কৰিছে।

মানৱ মৰণশীল। জন্ম আৰু মৃত্য এটি সদা ৰীতি। তথাপিও মানুহে মানুহৰ প্ৰতি থাকিবলগীয়া কৰণীয়, মানৱ জীৱনৰ মঙ্গলৰ বাবে আমি কি কৰা উচিত তাকে কবিয়ে কবিতাটিত উল্লেখ কৰিছে। মানুহে মানুহৰ লগ আৰু সংগ। সেয়েহে মানুহে মানুহৰ মৰম বুজিব লাগিব, মানুহৰ প্ৰতি দয়াশীল,মৰমিয়াল হ'ব লাগিব। সেয়ে মানুহৰ পৰম ধৰ্ম।

(গ) মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ
কৰা কৰা পূজা। পাদ্য অৰ্ঘ্য লৈ
জয় জয় মানৱ দেৱ।

উত্তৰঃ উক্ত কবিতাফাকি আমাৰ পাঠ্যপুথিৰ 'সাহিত্য সুবাস'ৰ অন্তৰ্গত কবি চন্দ্ৰকুমাৰ আগৰৱালাৰ 'মানৱ - বন্ধনা' নামৰ কবিতাটিৰ পৰা তুলি অনা হৈছে।কবিতাফাকি মানুহক দেৱতাতকৈও শ্ৰেষ্ট হিচাপে প্ৰতিপন্ন কৰা হৈছে।

দেৱতা মানুহৰ কল্পনা সৃষ্টি। বাস্তৱত দেৱতাৰ অস্তিত্ব নাই। কিন্তু মানুহ পৰম সত্য। বাস্তৱ পৃথিৱীত লগ-সংগ আদি বিভিন্ন ৰূপত আমি মানুহকে পাওঁ। সেয়েহে মানুহ দেৱতাতকৈও শ্ৰেষ্ট। কল্পনাৰ দেৱতাক পূজা কৰিলে সেই পূজা দেৱতাই পায় নে নাপাই কোনেও নাজানে। কিন্তু মানুহক পূজা-সেৱা কৰিলে মানৱ জাতিৰ উপকাৰ হয়। সেয়েহে মানুহেই দেৱতা আৰু মানুহেই প্ৰকৃতিত সেৱাৰ যোগ্য। মানুহতকৈ শ্ৰেষ্ট আন কোনো নহয়। সেয়েহে কবিয়ে দেৱতাৰ পূজা কৰাৰ সলনি পাদ্য- অৰ্ঘ্য লৈ মানুহৰ বন্দনা কৰিবলৈ উপদেশ দিছে আৰু মানুহৰ জয় ধ্বনি কৰি মানৱ ধৰ্ম পালন কৰিবলৈ সকলোকে আহ্বান জনাইছে।

৭/ সমাৰ্থক শব্দ লিখা :

মানুহ, সংগ, পৃথিৱী, সোঁত, স্বৰ্গ, দেৱ

উত্তৰ:

| | | |
|---|---|---|
| মানুহ | - | মানৱ, নৰ |
| সংগ | - | লগ, বন্ধু |
| পৃথিৱী | - | বসুমতী, মেদিনী |
| সোঁত | - | প্ৰবাহ,ধৰা |
| স্বৰ্গ | - | সৰগ |
| দেৱ | - | দেৱতা |